**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-08-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
-----------------------------

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে দুদিনীয়া ফিজি ভ্ৰমণসূচী লৈ আজি নাদিত উপস্থিত হৈছে।

২। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই কৈছে যে, মোদী চৰকাৰে স্বাস্থ্য খণ্ডক সৰ্বাধিক অগ্ৰাধিকাৰ দিছে।

৩। কেন্দ্ৰীয় বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধাৰীয়ে কৈছে যে, গ্ৰামাঞ্চলত ভূমি পৰ্যায়ৰ ঋণ ২০১৪ বৰ্ষৰ ৭ দশমিক ৩ লাখ কোটি টকাৰ পৰা ২০২৪ বৰ্ষত ২৫ দশমিক ৪-৬ লাখ কোটি টকালৈ বৃদ্ধি কৰা হৈছে।

৪। জম্মু-কাশ্মীৰত পৱিত্ৰ অমৰনাথ যাত্ৰা সুৰক্ষাজনিত কাৰণত এদিনৰ বাবে বন্ধ কৰা হৈছে। উল্লেখযোগ্য যে আজিৰ দিনটোতেই ৫ বছৰ পূৰ্বে সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ বাতিল কৰা হৈছিল।

**আৰু**

৫। পেৰিছ অলিম্পিকত আজি বেডমিণ্টনৰ পুৰুষৰ ছিংগলছত লক্ষ্য সেনে মালয়েছিয়াৰ জি জিয়া লিৰ বিৰুদ্ধে ব্ৰঞ্জৰ পদকৰ বাবে অৱতীৰ্ণ হ'ব।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে দুদিনীয়া ফিজি ভ্ৰমণসূচী লৈ আজি নাদিত উপস্থিত হৈছে। এয়া হৈছে কোনো এগৰাকী ভাৰতীয় ৰাষ্ট্ৰপতিৰ প্ৰথমটো ফিজি ভ্ৰমণ। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুক নাদিত উপস্থিত হোৱাৰ পাছত ফিজিৰ উপ প্ৰধানমন্ত্ৰী ৱিলিয়েম গাৰ'কা আৰু ফিজিৰ ভাৰতীয় উচ্চায়ুক্ত পি এছ কাৰ্থিগিয়ানে আদৰণি জনায়।

ৰাষ্ট্ৰপতিগৰাকীয়ে এই ভ্ৰমণৰ প্ৰথম পৰ্যায়ত আজিৰে পৰা ৭ আগষ্টলৈ ফিজি ভ্ৰমণ কৰিব। বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ে কৈছে যে, এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ ঐতিহাসিক সম্পৰ্কক অধিক সুদৃঢ় কৰিব। এই ভ্ৰমণকালত শ্ৰীমতী মুৰ্মুৱে ফিজিৰ ৰাজধানী ছুৱাত দেশখনৰ ৰাষ্ট্ৰপতি কাটনিভেৰে আৰু প্ৰধানমন্ত্ৰী চিটীভেনি ৰাবুকাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। তেওঁ ফিজিৰ সংসদত ভাষণ দিয়াৰ লগতে সমূহীয়া মত বিনিময় অনুষ্ঠানতো অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে ছুৱাৰ গান্ধী মেম'ৰিয়েল কলেজ পৰিদৰ্শন কৰাৰ লগতে নাদিৰ শ্ৰী শিৱা সুব্ৰমনিয়া স্বামী মন্দিৰো দৰ্শন কৰিব। ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত শ্ৰীমতী মুৰ্মুৱে ৮ আৰু ৯ আগষ্টত নিউজিলেণ্ড ভ্ৰমণ কৰিব। তাত তেওঁ দ্বিপাক্ষিক আলোচনাত মিলিত হোৱাৰ লগতে ৱেলিংটনত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় শিক্ষা সন্মিলনত ভাষণ দিব। তদুপৰি তেওঁ অ'কলেণ্ডত আয়োজিত এটা সমূহীয়া অভ্যৰ্থনা অনুষ্ঠানত প্ৰৱাসী ভাৰতীয় আৰু ভাৰতৰ মিত্ৰসকলৰ সৈতে মত বিনিময় কৰিব। শ্ৰীমতী মুৰ্মু এই ত্ৰিদেশীয় ভ্ৰমণৰ অন্তিম পৰ্যায়ত টিম'ৰলেষ্টত উপস্থিত হ'ব আৰু দেশখনৰ ৰাজধানী দিলিত দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব আৰু দেশখনত বাস কৰা ভাৰতীয়সকলে আয়োজন কৰা অভ্যৰ্থনা অনুষ্ঠানত ভাগ ল'ব। ৰাষ্ট্ৰপতি মুৰ্মুৰ এই ত্ৰিদেশীয় ভ্ৰমণে ভাৰতৰ পূৰ্বৰ নীতিত গতি প্ৰদান কৰিব তথা দক্ষিণ পূৱ এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলত বিশেষ গুৰুত্ব আৰোপৰ নীতি সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই কৈছে যে, মোদী চৰকাৰে স্বাস্থ্য খণ্ডক সৰ্বাধিক অগ্ৰাধিকাৰ দিছে। লোকসভাত আজি ২০২৪-২৫ বৰ্ষৰ বাবে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ অধীনত অনুদানৰ দাবী সন্দৰ্ভত হোৱা আলোচনাৰ উত্তৰত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, ২০১৩-১৪ বৰ্ষৰ ৩৩ হাজাৰ ২৭৮ কোটি টকাৰ বাজেট আৱণ্টন ২০২৪ বৰ্ষত ৯০ হাজাৰ ৯৫৮ কোটিলৈ বৃদ্ধি হৈ ১৬৪ শতাংশ বৃদ্ধি পঞ্জীয়ন কৰিছে। তেওঁ লগতে কয় যে, মুঠ বাজেটৰ ৫৫ শতাংশ ধন ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জৰিয়তে ব্যয় কৰা হয়। চৰকাৰে ক্ৰমান্বয়ে স্বাস্থ্য বাজেট বৃদ্ধি কৰি আছে আৰু বৰ্তমান ই মুঠ ঘৰুৱা উৎপাদনৰ ১ দশমিক ৯ শতাংশ স্পৰ্শ কৰিছে বুলিও তেওঁ জানিবলৈ দিয়ে। প্ৰাথমিক স্বাস্থ্য সেৱা আৰু তৃতীয় পৰ্যায়ৰ স্বাস্থ্য সেৱা পৰ্যায়ৰ আন্তঃগাঁথনিৰ সন্দৰ্ভত স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে কয় যে, মোদী চৰকাৰৰ অধীনত মুঠ ২২ খন এইমছৰ অনুমোদন কৰা হয় যাৰ ভিতৰত ১৮খন বৰ্তমান কাৰ্যক্ষম আৰু চাৰিখনৰ নিৰ্মাণকাৰ্য চলি আছে।

০০০০০০০

কেন্দ্ৰীয় বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধাৰীয়ে আজি কৈছে যে, গ্ৰামাঞ্চলত ভূমি পৰ্যায়ৰ ঋণ ২০১৪ বৰ্ষৰ ৭ দশমিক ৩ লাখ কোটি টকাৰ পৰা ২০২৪ বৰ্ষত জনসাধাৰণৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ২৫ দশমিক ৪-৬ লাখ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। লোকসভাত আজি এটা পৰিপূৰক প্ৰশ্ন উত্তৰত মন্ত্ৰীগৰাকীয়ে সদনত অৱগত কৰে যে, কিষাণ ক্ৰেডিট কাৰ্ডৰ অধীনত কৃষকসকলক ৪ দশমিক ২-৬ লাখ কোটি টকা শস্য ঋণ প্ৰদান কৰাৰ বিপৰীতে ২০২৪ বৰ্ষত এই সংখ্যা ৯ দশমিক ৮-২ লাখ কোটিলৈ বৃদ্ধি পাইছে। শ্ৰী চৌধাৰীয়ে কয় যে, কৃষকৰ কল্যাণ আৰু কৃষি উৎপাদিত সামগ্ৰীৰ বৃদ্ধিৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ লগতে কয় যে, প্ৰধানমন্ত্ৰী জন ধন আঁচনিৰ অধীনত আৰ্থিক অন্তৰ্ভুক্তি নিশ্চিত কৰিবলৈ ৫২ কোটিৰো অধিক একাউণ্ট মুকলি কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, চৰকাৰে যুৱক প্ৰজন্মৰ বাবে মুদ্ৰা আঁচনি আৰু ষ্টাৰ্টআপ ইণ্ডিয়াকে ধৰি বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। কেন্দ্ৰীয় বাজেটত যুৱক-যুৱতীসকলৰ বাবে ইণ্টাৰ্ণশ্বিপ আঁচনি আৰু মুদ্ৰা আঁচনিৰ অধীনত ঋণৰ সুবিধা ১০ লাখৰ পৰা ২০ লাখলৈ বৃদ্ধি কৰা হৈছে বুলিও শ্ৰী চৌধাৰীয়ে জানিবলৈ দিয়ে।

০০০০০০০

মহাৰাষ্ট্ৰৰ পনে চহৰত ৬৫ গৰাকী ব্যক্তিৰ দেহত জিকা ভাইৰাছৰ উপস্থিতি ধৰা পৰিছে। কালি পনেত ৭ জন লোক জিকা ভাইৰাছত আক্ৰান্ত হৈছে। এই ৭ গৰাকী ৰোগীৰ ভিতৰত আছে ৫ গৰাকী গৰ্ভৱতী মহিলা. এগৰাকী ১৮ বছৰীয়া যৱতী আৰু এগৰাকী ৪০ বছৰীয়া যৱতী। নেশ্যনেল ইনষ্টিটিউট অৱ ভাইৰ'লজীৰ এটা দলে এই ভাইৰাছৰ বিৰুদ্ধে সাৱধান হ'বলৈ নাগৰিকসকলক আহ্বান জনাইছে।

০০০০০০০

জম্মু-কাশ্মীৰত পৱিত্ৰ অমৰনাথ যাত্ৰা সুৰক্ষাজনিত কাৰণত এদিনৰ বাবে বন্ধ কৰা হৈছে। উল্লেখযোগ্য যে আজিৰ দিনটোতেই ৩৭০ নম্বৰ অনুচ্ছেদ বাতিল কৰা হৈছিল। আকাশবাণী জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি চোৰাংচোৱাৰ তথ্যৰ প্ৰতি লক্ষ্য ৰাখি ভাগৱতী নগৰ ঘাটি শিবিৰৰ পৰা এই যাত্ৰা স্থগিত ৰখাৰ লগতে জম্মুৰ আখনূৰ আৰু অন্যান্য সীমান্তৱৰ্তী অঞ্চলত নিৰাপত্তা বৃদ্ধি কৰা হৈছে। ইফালে বিজেপিয়ে আৰ এছ পুৰাত আজি সংবিধান ৩৭০ নম্বৰ অনুচ্ছেদ বাতিলৰ পঞ্চম বৰ্ষপূৰ্তি উদযাপন কৰিছে। এই অনুষ্ঠানত দলৰ নেতাসহ কেন্দ্ৰীয় মন্ত্ৰী জি কিষাণ ৰেড্ডী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০০

পেৰিছ অলিম্পিকত আজি বেডমিণ্টনৰ পুৰুষৰ ছিংগলছত লক্ষ্য সেনে মালয়েছিয়াৰ জি জিয়া লিৰ বিৰুদ্ধে ব্ৰঞ্জৰ পদকৰ বাবে অৱতীৰ্ণ হ'ব। কালিৰ ছেমি ফাইনেলত লক্ষ্য সেনে ডেনমাৰ্কৰ ভিক্টৰ এক্সেলচেনৰ হাতত ২০-২২, ১৪-২১ পোনপটীয়া ছেটত পৰাজয় বৰণ কৰে। উল্লেখযোগ্য যে, অলিম্পিকত ছেমি ফাইনেল পৰ্যায়ত খেলা লক্ষ্য সেন হৈছে ভাৰতৰ প্ৰথমগৰাকী পুৰুষ বেডমিণ্টন খেলুৱৈ।

স্কিট মিক্সড দলীয় শাখাত মহেশ্বৰী চৌহান আৰু অনন্তজিৎ সিং নাৰুকাই আজি ভাৰতৰ হৈ খেল আৰম্ভ কৰিব। আনহাতে শ্ৰীজা আকুলা, মণিকা বাট্ৰা আৰু অৰ্চনা কামাথৰ মহিলা টেবল টেনিছ দলে কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰাৰ লক্ষ্যৰে ৰাউণ্ড অব ছিক্সটিনত ৰোমানিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এথলেটিছত দুগৰাকী খেলুৱৈয়ে ভাৰতক প্ৰতিনিধিত্ব কৰিব। এছিয়ান গেমছত সোণৰ পদক লাভ কৰা অবিনাশ চাবলে ৩ হাজাৰ মিটাৰ ষ্টেপলচেজ ফাইনেলৰ বাবে অৱতীৰ্ণ হোৱাৰ বিপৰীতে কিৰণ পাহালে মহিলাৰ ৪০০ মিটাৰৰ প্ৰথম ৰাউণ্ডত অৱতীৰ্ণ হ'ব। মল্লযুঁজৰ মহিলাৰ ৬৮ কিলোগ্ৰাম শাখাত নিশা দাহিয়াই প্ৰি-কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত আজি নিশা চাৰে ৯ বজাত দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰালয়ৰ সচিব অতুল কুমাৰ তিৱাৰী আৰু ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নিগমৰ মুখ্য কাৰ্যবাহী বিষয়া তথা এন এছ ডি চি আন্তঃৰাষ্ট্ৰীয়ৰ ব্যৱস্থাপনা সঞ্চালক বেদ মণি তিৱাৰীৰ সৈতে **দক্ষ ভাৰতৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰচেষ্টা** সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি **দক্ষতা বিকাশ সম্পৰ্কীয় চৰকাৰৰ বিভিন্ন সুবিধা তথা কেনেদৰে এই সুবিধাসমূহ গ্ৰহণ কৰিব পাৰি সেই** সন্দৰ্ভত তেওঁলোকক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ.এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেৰছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে পেৰিছ অলিম্পিক ২০২৪ স্মাৰক ডাক টিকট মুকলি কৰিব বুলি ঘোষণা কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ডাক বিভাগে কয় যে, স্মাৰক ডাক টিকটৰ ছেট আজি মুকলি কৰা হ'ব। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া আৰু পকেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। যোগাযোগ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে নতুনকৈ মুকলি কৰা ডাক টিকট অলিম্পিক আৰু খেলুৱৈসকলৰ প্ৰতি ভাৰতবাসীৰ উৎসাহ আৰু সমৰ্থনৰ প্ৰতীক হিচাপে পৰিগণিত হ'ব। এই পদক্ষেপে কেৱল অলিম্পিক উদযাপন কৰাই নহয় দেশৰ যুৱ ক্ৰীড়াপ্ৰেমী সকলকো উৎসাহিত কৰিব বুলি মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰে।

০০০০০০০

সমাপ্ত